এচ কে সিং

-বনাম-

চেন্ট্ৰেল বেংক, ভাৰত আৰু অন্যান্য

১৯ ছেপ্তেম্বৰ, ১৯৯৬

[ন্যায়াধীশ কে. ৰামস্বামী, ন্যায়াধীশ ফাইজান উদ্দিন আৰু ন্যায়াধীশ জি. বি. পাটনায়ক]

বিশেষ অনুমতিৰ আবেদন নং ১৮১৮১ চন ১৯৯৬

*সেৱা আইন*

*সেৱাৰ পৰা অপসাৰণ-বেংকৰ শাখা পৰিচালক- নগদ ধন হিচাপত কম পোৱাৰ বাবে অনুশাসনমূলক কাৰ্য্য- তদন্ত চলোৱা- সেৱাৰ পৰা অপসাৰণৰ আদেশ- তদন্ত প্ৰতিবেদনৰ প্ৰতিলিপি প্ৰদান কৰা নাছিল বুলি প্ৰত্যাহ্বান জনোৱা উচ্চ ন্যায়ালয়ে নচাৎ কৰে- আপীলত কৰাত সিদ্ধান্ত লোৱা হয় যে- যদিও প্ৰতিবেদনৰ প্ৰতিলিপি প্ৰদান কৰা নাছিল কৰ্মচাৰীজনে আদালতক সন্তুষ্ট কৰিব নোৱাৰিলে যে প্ৰতিবেদন প্ৰতিলিপি যোগান নধৰাৰ বাবে তেওঁ কেনেধৰণৰ পক্ষপাতিত্বৰ সন্মুখীন হৈছিল- সেয়েহে উচ্চ ন্যায়ালয়ে লোৱা সিদ্ধান্ত অবৈধ নহয়।*

*পৰিচালন সঞ্চালক, ইচিআইএল, হায়দৰাবাদ আৰু অন্যান্য বনাম বি. কৰুনাকৰ আৰু অন্যান্য (১৯৯৩)৪ এছচিচি ৭২৭ গোচৰ প্ৰসংগ হিচাপে উল্লেখ কৰা হৈছে ।*

**দেৱানী আপীল ক্ষেত্ৰাধিকাৰ:** বিশেষ অনুমতিৰ আবেদন (দেৱানী) নং ১৮১৮১ চন ১৯৯৬ ।

মধ্য প্ৰদেশ উচ্চ ন্যায়ালয়ে ১৩ মাৰ্চ ১৯৯৬ তাৰিখে এল. পি. এ. নং ৮০/১৯৯৬ অত প্ৰদান কৰা ৰায় আৰু আদেশৰ পৰা উদ্ভৱ হোৱা ।

আপীলকাৰীৰ অধিবক্তা- এচ.এচ খান্দুজা, য়াচ পাল ধিংৰা আৰু বলদেৱ এল সতিজা ।

আদালতে নিম্নলিখিত আদেশ প্ৰদান কৰে:

মধ্য প্ৰদেশ উচ্চ ন্যায়ালয়ৰ গোৱালিয়স্থিত খণ্ড বিচাৰপীঠে ১৩ মাৰ্চ ১৯৯৬ তাৰিখে এল. পি. এ. নং ৮০/৯৬ অত প্ৰদান কৰা ৰায় আৰু আদেশৰ বিৰুদ্ধে এই আবেদন দাখিল কৰা হৈছে ।

এইটো স্বীকৃত যে আবেদনকাৰীয়ে প্ৰতিবাদী পক্ষ অৰ্থাৎ বেংকত শাখা পৰিচালক হিচাপে কাম কৰিছিল। বেংকৰ উক্ত শাখাত নগদ ধনৰ হিচাপত ২০,০০০/- টকা কম পোৱা গৈছিল । সেয়েহে তেওঁৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰি তদন্ত কৰি তেওঁক চাকৰিৰ পৰা অপসাৰণ কৰা হৈছিল। তেওঁ তেওঁক অপসাৰণ কৰাৰ আদেশক প্ৰত্যাহ্বান জনাই আপীল দাখিল কৰিছিল যদিও সেই আপীল খাৰিজ কৰা হৈছিল । তেওঁ দাখিল কৰা লেখ আবেদনখনো উচ্চ ন্যায়ালয়ৰ বিদ্বান একক ন্যায়াধীশে খাৰিজ কৰিছিল আৰু ইয়াৰ বিৰুদ্ধে আপীল দাখিল কৰিছিল যদিও আপীলত একক ন্যায়াধীশে প্ৰদান কৰা ৰায়কে নিশ্চিত কৰা হৈছিল ।

উচ্চ ন্যায়ালয়ত উত্থাপিত একমাত্ৰ বিতৰ্কটো আছিল যে যিহেতু তেওঁক তদন্ত প্ৰতিবেদনৰ প্ৰতিলিপি প্ৰদান কৰা নাছিল, সেয়েহে চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ আদেশ আইনসংগত নাছিল।

বিদ্বান একক ন্যায়াধীশৰ লগতে উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠেও এই ন্যায়ালয়ৰ সংবিধান বিচাৰপীঠে পৰিচালন সঞ্চালক, ইচিআইএল, হায়দৰাবাদ আৰু অন্যান্য বনাম বি. কৰুনাকৰ আৰু অন্যান্য গোচৰত দিয়া ৰায়ৰ প্ৰভাৱ বিবেচনা কৰিছে [(১৯৯৩) ৪ এছচিচি ৭২৭]।

বিদ্বান একক ন্যায়াধীশগৰাকীৰ লগতে উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠেও আবেদনকাৰীক সুধিছিল যে আবেদনকাৰীয়ে প্ৰতিবেদনৰ প্ৰতিলিপি প্ৰদান নকৰাৰ বাবে কেনেধৰণৰ পক্ষপাতিত্বৰ সন্মুখীন হৈছিল। যিহেতু আবেদনকাৰীয়ে ইয়াৰ পৰ্যাপ্ত

ব্যাখ্যা আগবঢ়োৱা নাছিল, সেয়েহে উচ্চ ন্যায়ালয়ে এই সিদ্ধান্তত উপনীত হয় যে যদিও প্ৰতিবেদনৰ প্ৰতিলিপি প্ৰদান কৰা হোৱা নাছিল, আৰু তথ্যৰ ওপৰত, যিহেতু কোনো পক্ষপাতিত্ব কৰাটো প্ৰমাণিত হোৱা নাছিল, সেয়েহে বিষয়টোত হস্তক্ষেপৰ প্ৰয়োজনীয়তা নাই।

আবেদনকাৰীৰ বিদ্বান অধিবক্তা শ্ৰী খাণ্ডুজাই কয় যে যিহেতু আদালতে অনুসন্ধান প্ৰতিবেদনৰ প্ৰতিলিপি যোগান ধৰাটো এজন যোগ্য বিষয়াৰ বাবে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণৰ পূৰ্বচৰ্ত বুলি আইন নিৰ্ধাৰণ কৰিছে, সেয়েহে গোচৰটো অনুশাসনকৰ্তালৈ ঘূৰাই পঠোৱাটো উপযুক্ত ব্যৱস্থা হ'লহেঁতেন। এই ধৰণৰ বিষয়ৰ বাবে সাধাৰণতে কোনো বিবাদ নাথাকে, কিয়নো এই আদালতে এক বিধি নিৰ্ধাৰণ কৰিছিল যে তদন্তৰ সন্মুখীন হোৱা কৰ্মচাৰীজনক তদন্তৰ প্ৰতিবেদনৰ প্ৰতিলিপি যোগান ধৰিব লাগিব যাতে তেওঁ প্ৰস্তাৱিত ব্যৱস্থা বা শাস্তিৰ বিৰুদ্ধে নিজৰ স্থিতিৰ উপযুক্ত ব্যাখ্যা আগবঢ়াব পাৰে, আৰু তাৰ পিছত, কৰ্তৃপক্ষই শাস্তিত উল্লেখ থকা বিধানৰ দ্বাৰা সেই ব্যাখ্যা বিবেচনা কৰিব লাগে। এই ক্ষেত্ৰত যদিও আবেদনকাৰীক প্ৰতিবেদনৰ প্ৰতিলিপি যোগান ধৰা হোৱা নাছিল, তথাপিও তেওঁক বিদ্বান একক ন্যায়াধীশৰ লগতে খণ্ড বিচাৰপীঠে সুধিছিল যে প্ৰতিবেদন প্ৰতিলিপি যোগান নধৰাৰ বাবে তেওঁ কেনেধৰণৰ পক্ষপাতিত্বৰ সন্মুখীন হৈছিল। কিন্তু তদন্তৰ প্ৰতিবেদনৰ প্ৰতিলিপি যোগান নধৰাৰ বাবে তেওঁৰ ওপৰত কেনেধৰণৰ পক্ষপাতিত্ব কৰা হৈছিল সেই বিষয়ে তেওঁ বিদ্বান ন্যায়াধীশসকলক সন্তুষ্টিজনক উত্তৰ দিব পৰা নাছিল। গোচৰৰ তথ্য বিবেচনা কৰি আমি দেখিবলৈ পাওঁ যে উচ্চ ন্যায়ালয়ে লোৱা সিদ্ধান্ত অবৈধ নহয়।

সেই অনুসৰি এই বিশেষ অনুমতিৰ আবেদন খাৰিজ কৰা হল ।

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)